**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 13-10-2024
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***

---

১। ষষ্ঠীৰ বেদীত প্ৰতিষ্ঠা কৰা দেৱীক বিসৰ্জনৰ দিয়াৰ পাছত আজিও ৰাজ্যৰ বিভিন্ন স্থানত দেৱীৰ মৃন্ময় প্ৰতিমা বিসৰ্জন পৰ্ব।

২। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ ৫৭৬ সংখ্যক জন্মোৎসৱ উপলক্ষে ৰাজ্যৰ নামঘৰ, সত্ৰসমূহ হৰিনামেৰে মুখৰিত। মাজুলী, সত্ৰনগৰী বৰপেটা, নগাঁৰ বটদ্ৰৱা থানত কেইবাদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচী।

৩। বৰ্ধিত বিদ্যুতৰ চাহিদা পূৰণ কৰিবলৈ ২০২৭-২৮ বৰ্ষৰ ভিতৰত ৰাজ্য চৰকাৰৰ অতিৰিক্ত ২ হাজাৰ মেগাৱাট বিদুৎ উৎপাদনৰ লক্ষ্য নিৰ্ধাৰণ। **আৰু**

৪। তিনিখনীয়া টি-টুৱেণ্টি ক্ৰিকেট শৃংখলাৰ তৃতীয় তথা অন্তিমখন খেলত বাংলাদেশৰ বিৰুদ্ধে ভাৰতৰ ১৩৩ ৰানত জয়েৰে শৃংখলা দখল।

০০০০০০

ষষ্ঠীত প্ৰতিষ্ঠা কৰা দেৱীৰ কালি দশমী আৰু অপৰাজিতা পূজা সম্পন্ন কৰাৰ পাছত নৱপত্ৰিকা বিসৰ্জন প্ৰক্ৰিয়া সম্পন্ন হয়। অৱশ্যে বিভিন্ন স্থানত আজিও দেৱীৰ মৃন্ময় প্ৰতিমা বিসৰ্জন দিয়া হ'ব। গুৱাহাটী মহানগৰীত কালিৰে পৰা তিনিদিনীয়াকৈ প্ৰতিমা বিসৰ্জনৰ ব্যৱস্থা কৰা হৈছে। বিসৰ্জন প্ৰক্ৰিয়া নিয়াৰিকৈ সম্পন্ন কৰাৰ বাবে জিলা প্ৰশাসন আৰু আৰক্ষী প্ৰশাসনে সকলো ব্যৱস্থা গ্ৰহণ কৰিছে। বিশেষকৈ বাট পথসমূহত যান-জঁটৰ সমস্যা লাঘৱ কৰাৰ বাবে যান বাহন আৰক্ষীয়ে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিছে। মহানগৰীৰ কোনো কোনো অঞ্চলত কালি যথাবিহিত পৰম্পৰাৰে বিসৰ্জন প্ৰক্ৰিয়া সম্পন্ন কৰা হয়। আজিৰ দিনটোত গুৱাহাটীত ২৬৩ খন পূজা মণ্ডপৰ প্ৰতিমা বিসৰ্জন দিয়া হ'ব বুলি প্ৰশাসনৰ সূত্ৰই প্ৰকাশ কৰিছে।

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই বিজয়া দশমীৰ দিনা প্ৰজ্ঞাৰ উদ্যোগত চানমাৰিৰ অভিযান্ত্ৰিক খেলপথাৰত আয়োজিত ভাৰত মাতা পূজন কাৰ্যসূচীত অংশগ্ৰহণ কৰে। দুৰ্গা পূজাৰ লগত সংগতি ৰাখি আয়োজন কৰা এই অনুষ্ঠানৰ অন্তিম দিনাৰ কাৰ্যসূচীত মুখ্যমন্ত্ৰী শ্ৰী শৰ্মাই অখণ্ড ভাৰত মাতাৰ কল্যাণৰ বাবে চাকি-বন্তি জ্বলাই এনেদৰে কয়-

**ভইচ (মুখ্যমন্ত্ৰী)**

শিৱসাগৰ জিলাতো কালি বিজয়া দশমী উপলক্ষে দেৱীৰ প্ৰতিমা বিসৰ্জন দিয়া হয়। শিৱসাগৰ নগৰৰ থানামুখ অঞ্চলৰ দিখৌ নদীৰ ঘাটত কালি কটকটীয়া নিৰাপত্তা আৰু সুৰক্ষা ব্যৱস্থাৰে মাজেৰে প্ৰতিমা বিসৰ্জন দিয়া হয়। ঢাক-ঢোল আৰু ভক্তসকলৰ হৰ্ষ উল্লাসৰ মাজেৰে পৰম্পৰাগত ৰীতি-নীতিৰে ৬ খন পূজামণ্ডপৰ প্ৰতিমা কালি বিসৰ্জন দিয়া হয়। আজি নগৰখনৰ অন্য ১৮ খন প্ৰতিমা বিসৰ্জন দিয়া হ'ব।

যোৰহাট জিলাৰ বিসৰ্জন প্ৰক্ৰিয়া সুকলমে সম্পন্ন কৰাৰ বাবে জিলাখনৰ আয়ুক্তই সকলো বিসৰ্জনস্থলী আৰু ঘাট পৰিদৰ্শন কৰিছে। জিলাখনত আজি মৃণ্ময় প্ৰতিমা বিসৰ্জন দিয়া হ'ব। কাৰ্বি আংলং জিলা প্ৰশাসনেও আজি দেৱীৰ প্ৰতিমা বিসৰ্জনৰ বাবে সকলো প্ৰস্তুতি সম্পন্ন কৰিছে। জিলাখনত আজি এই উপলক্ষে সুৰা নিষিদ্ধ ঘোষণা কৰা হৈছে। এই সময়ছোৱাত শান্তি-শৃংখলা অটুত ৰখাৰ লক্ষ্যৰে সুৰাৰ ক্ৰয়-বিক্ৰী, মজুতকৰণ আৰু ৰাজহুৱা স্থানত সুৰাপান নিষিদ্ধ কৰা হৈছে।

বিজয়া দশমীৰ দিনা তিনিচুকীয়া জিলাৰ সদৰৰ গুইজান ঘাট আৰু টিংৰাই নৈৰ ঘাটত ২৬ খন পূজা সমিতিয়ে দেৱীৰ প্ৰতিমা বিসৰ্জন দিয়ে। আজিও জিলাখনৰ কেইবাখনো পূজা সমিতিয়ে দেৱীৰ প্ৰতিমা বিসৰ্জন দিব। এই উপলক্ষে স্থানীয় প্ৰশাসনে প্ৰয়োজনী ব্যৱস্থা গ্ৰহণ কৰিছে।

দুৰ্গা পূজাক কেন্দ্ৰ কৰি আজিও গোৱালপাৰা জিলাৰ বিভিন্ন প্ৰান্তত উৎসৱমুখৰ পৰিৱেশ বিৰাজ কৰিছে। কালিৰ দিনটোত বৈদিক ৰীতি-নীতিৰে দেৱী দুৰ্গাৰ প্ৰতিমা বিসৰ্জন কৰাৰ পাছত আজিও জিলাখনৰ কেইবাখনো পূজা সমিতিয়ে চহৰখনৰ কাচাৰীঘাটত প্ৰতিমা বিসৰ্জন পৰ্ব সম্পন্ন কৰিব। ইয়াৰ বাবে প্ৰশাসনে কাচাৰীঘাটত ৰেম্প তৈয়াৰ কৰি বিসৰ্জনৰ প্ৰস্তুতি সম্পূৰ্ণ কৰিছে। ইফালে ৰূপালী জয়ন্তী বৰ্ষ পালন কৰা ৰংজুলি দুৰ্গা পূজা সমিতিয়ে কালি বিয়লি দেৱী বিসৰ্জন কাৰ্যসূচী সমাপন কৰি ৬৫ ফুট উচ্চতাৰ ৰাৱন দাহ কাৰ্যসূচীও ৰূপায়ণ কৰে।

বজালী জিলাৰ কেইবাখনো পূজা সমিতিয়ে আজি দেৱীৰ প্ৰতিমা বিসৰ্জনৰ পৰ্ব সমাপন কৰিব বুলি উদ্যোক্তা সমিতিসমূহে জানিবলৈ দিছে। বাক্সা জিলাতো কেইবাখনো পূজা সমিতিয়ে আজি দেৱীৰ প্ৰতিমাসমূহ নিজ নিজ স্থানত বিসৰ্জন দিয়া হ'ব বুলি উদযাপন সমিতিয়ে জানিবলৈ দিয়ে।

ইপিনে, শাৰদীয় দুৰ্গোৎসৱৰ বিজয়া দশমী উপলক্ষে গুৱাহাটী মহানগৰ যানবাহন আৰক্ষীয়ে বাহন চলাচলৰ ক্ষেত্ৰত আজি কেতবোৰ নীতি নিৰ্দেশনা জাৰি কৰিছে। এই অনুসৰি আজি পুৱা ১০ বজাৰ পৰা প্ৰতিমা বিসৰ্জন সমাপ্ত নোহোৱালৈকে কেইটামান পথ সম্পূৰ্ণ ৰূপে সাধাৰণ জনতাৰ বাবে বন্ধ থাকিব। আনহাতে, প্ৰতিমা কঢ়িওৱা বাহন সমূহ গুৱাহাটী ক্লাবৰ পৰা এম চি পথ হৈ উচ্চ ন্যায়ালয়ৰ কাষেৰে লাচিত ঘাটলৈ যাব পাৰিব। আনহাতে, টক'বাৰী, পল্টন বজাৰ, উলুবাৰী, ৰিহাবাৰী দিশৰ পৰা অহা বাহন সমূহ আৰ্য নগৰ-এ কে আজাদ পথ হৈ নেপালী মন্দিৰ গধূলি বজাৰ-পানবজাৰ হৈ লাচিত ঘাটত বিসৰ্জনৰ বাবে যাব পাৰিব। একেদৰে, গণেশগুৰি, দিছপুৰ, কাহিলিপাৰা আদি অঞ্চলৰ পৰা প্ৰতিমা বিসৰ্জনৰ বাবে যোৱা বাহন সমূহ আৰ জি বৰুৱা পথ, চানমাৰি, গুৱাহাটী ক্লাব হৈ লাচিত ঘাটলৈ যাব পাৰিব। এই সময়ছোৱাত সাধাৰণ যানবাহনৰ বাবে পথ কেইটা সম্পূৰ্ণ ৰূপে বন্ধ থাকিব।

oooooo

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ ৫৭৬ সংখ্যক জন্মোৎসৱ উপলক্ষে ৰাজ্যৰ নামঘৰ, সত্ৰসমূহত বিভিন্ন কাৰ্যসূচী অনুষ্ঠিত হয়। মাজুলীৰ সত্ৰসমূহত তিনিদিনীয়া কাৰ্যসূচীৰে মহাপুৰুষজনাৰ জন্মোৎসৱ পালন কৰা হৈছে। গুৰুজনাৰ আৱিৰ্ভাৱ তিথি উপলক্ষে সত্ৰপীঠ মাজুলীত ভক্তিৰসত বুৰ গৈছে। মাজুলীৰ সকলো সত্ৰ আৰু নামঘৰত ৩-৪ দিনীয়া কাৰ্যসূচীৰে জন্মোৎসৱৰ পালন কৰা হৈছে। এই উপলক্ষে বিভিন্ন নামঘৰত বৰগীত, দিহানাম আৰু চিত্ৰাংকন প্ৰতিযোগিতা অনুষ্ঠিত হয়। শনিবাৰে পুৱাৰ ভাগত ভাগৱত ভ্ৰমণ আৰু সাংস্কৃতিক শোভাযাত্ৰা অনুষ্ঠিত হোৱাৰ পাছত ধৰ্মালোচনা সভাৰ লগতে নিশালৈ মাজুলীৰ প্ৰায়সংখ্যক নামঘৰত ভাওনা পৰিৱেশন কৰা হয়।

নগাঁও জিলাৰ বিভিন্ন প্ৰান্তত বৰ্ণাঢ্য কাৰ্যসূচীৰে শ্ৰীমন্ত শংকৰদেৱৰ আৱিৰ্ভাৱ তিথি পালন কৰা হৈছে। বিশেষকৈ বটদ্ৰৱা সত্ৰত তিনিদিনীয়া বিস্তৃত কাৰ্যসূচীৰে শ্ৰীমন্ত শংকৰদেৱৰ জন্মোৎসৱ পালন কৰা হৈছে। ইপিনে, নগাঁও জিলা সত্ৰ মহাসভাৰ উদ্যোগত কলিয়াবৰৰ জখলাবন্ধা সত্ৰত গুৰুজনাৰ জন্মোৎসৱ আয়োজিত হৈছে।

তিনিচুকীয়াত মহাপুৰুষজনাৰ জন্মোৎসৱ উপলক্ষে জিলাৰ নামঘৰসমূহ হৰিনামেৰে মুখৰিত হৈ উঠে। তিনিচুকীয়া নগৰৰ সমীপৰ ৰঙাগড়াত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ জন্মোৎসৱ উপলক্ষে বিভিন্ন কাৰ্যসূচী পালন কৰা হয়। জিলাখনৰ কাকপথাৰ ৰাজহুৱা নামঘৰতো গায়ন-বায়নেৰে মহাপুৰুষজনাৰ জন্মোৎসৱ পালন কৰা হয়।

সত্ৰনগৰী বৰপেটাৰ লগতে জিলাখনৰ প্ৰায় সকলো সত্ৰ, নামঘৰত মহাপুৰুষজনাৰ আৱিৰ্ভাৱ তিথি পালন কৰা হৈছে। বৰপেটা সত্ৰত কালিৰে পৰা দুদিনীয়া কাৰ্যসূচীৰে গুৰুজনাৰ জন্মোৎসৱ পালন কৰা হয়। এই উপলক্ষে নাম প্ৰসংগ, ভাগৱত ভ্ৰমণ, ধৰ্মালোচনা সভা আদি বিভিন্ন কাৰ্যসূচী অনুষ্ঠিত হয়। একেদৰে গুৰুজনাই জীৱনৰ সৰ্বাধিক সময় অতিবাহিত কৰা পাটবাউসীৰ শংকৰদেৱৰ থান, সুন্দৰীদিয়া সত্ৰ, গণককুচি সত্ৰ, বাৰাদি সত্ৰ, কমাৰকুচি সত্ৰ আদিত আৱিৰ্ভাৱ মহোৎসৱৰ আয়োজন কৰা হৈছে। বৰপেটা ৰোডৰ শাখা সত্ৰ-নামঘৰত তিনিদিনীয়া কাৰ্যসূচীৰে আৱিৰ্ভাৱ মহোৎসৱ অনুষ্ঠিত হৈছে। হাউলীৰ দলাগাঁৱতো দুদিনীয়া বিস্তৃত কাৰ্যসূচীৰে কালিৰে পৰা জন্মোৎসৱ পালন কৰা হয়।

ধুবুৰী জিলাৰ গোলকগঞ্জৰ ৰামৰাইকুটি সত্ৰৰ লগতে কোচবিহাৰৰ মধুপুৰ সত্ৰত দিনজোৰা কাৰ্যসূচীৰে শ্ৰীমন্ত শংকৰদেৱৰ জন্মোৎসৱ পালন হয়। মধুপুৰ সত্ৰৰ সত্ৰাধিকাৰ পীতাম্বৰ ভকতৰ পৰিচালনাত পুৱা প্ৰভাতী কীৰ্তনেৰে জন্মোৎসৱৰ শুভাৰম্ভণি কৰা হৈছিল। এই উপলক্ষে মধুপুৰ সত্ৰ চৌহদৰ পৰা ভাগৱত শোভাযাত্ৰা উলিওৱা হয়।

গোৱালপাৰা জিলাৰ সত্ৰ আৰু নামঘৰসমূহতো শ্ৰীমন্ত শংকৰদেৱৰ জন্মোৎসৱ উপলক্ষে বিভিন্ন ভক্তিমূলক কাৰ্যসূচী অনুষ্ঠিত হয়। গোৱালপাৰা নগৰৰ শ্যামৰাই সত্ৰত এইবাৰ ১০ অক্টোবৰৰ পৰা পাঁচদিনীয়া কাৰ্যসূচীৰে গুৰুজনাৰ আৱিৰ্ভাৱ তিথি উদযাপন কৰা হৈছে। একেদৰে জিলাখনৰ বগুৱানৰ ঐতিহাসিক হাটীসত্ৰতো জন্মোৎসৱৰ পালন কৰা হয়।

গুৱাহাটী মহানগৰীৰ ১২৯ খন শাখাই আজি নামঘৰসমূহত মহাপুৰুষজনাৰ জন্মোৎসৱ পালন কৰিব। এই উপলক্ষে আজি প্ৰাতঃ প্ৰসংগ, পৰিৱেশ নিকাকৰণ, গছপুলি ৰোপণ, শোভাযাত্ৰা, ধৰ্মালোচনা সভাকে ধৰি বিভিন্ন কাৰ্যসূচী শাখাসমূহে আয়োজন কৰিছে। ইপিনে শ্ৰীমন্ত শংকৰদেৱ সংঘৰ উদ্যোগত আৰু গুৱাহাটী মহানগৰীৰ জিলা শাখাৰ আতিথ্যত তথা বৃহত্তৰ গুৱাহাটীৰ ৰাইজৰ সহযোগত অহা ১৯ আৰু ২০ অক্টোবৰত ৰূপনগৰৰ বংশীৰাম বড়ো সমন্বয় ক্ষেত্ৰত কেন্দ্ৰীয়ভাৱে শ্ৰীমন্ত শংকৰদেৱৰ জন্মোৎসৱ পালন কৰা হ'ব।

০০০০০০

শনিবাৰে পশ্চিমবংগৰ সুকনা সামৰিক কেন্দ্ৰত দশেৰা উপলক্ষে পৰম্পৰাগত শস্ত্ৰ পূজাত প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে অংশগ্ৰহণ কৰে। ভাৰতীয় সেনা বাহিনীত এই অনুষ্ঠান হৈছে জাতিৰ সাৰ্বভৌমত্বৰ ৰক্ষক হিচাপে অস্ত্ৰ-শস্ত্ৰৰ প্ৰতি সন্মানৰ প্ৰতীক স্বৰূপ। তেওঁ অত্যাধুনিক পদাতিক বাহিনী, আৰ্টিলাৰী আৰু যোগাযোগ ব্যৱস্থাৰ লগতে ড্ৰ'ন ব্যৱস্থাকে ধৰি বিভিন্ন ধৰণৰ আধুনিক সামৰিক সঁজুলিৰ প্ৰতিও সন্মান প্ৰদৰ্শন কৰে।

*-বাইট-*

০০০০০০

উদ্ধাৰ সম্পৰ্কীয় আখৰামূলক অনুশীলন আৰু বাৰ্ষিক নৱীকৰণৰ বাবে গুৱাহাটীৰ ৰ'পৱে ১৫ অক্টোবৰৰ পৰা ২৪ অক্টোবৰলৈ যাত্ৰীসকলৰ বাবে বন্ধ ৰখা হ'ব। ২৫ অক্টোবৰৰ পৰা পুনৰ যাত্ৰীৰ বাবে ৰ'পৱে মুকলি কৰা হ'ব। গুৱাহাটী মহানগৰ উন্নয়ন প্ৰাধীকৰণে এই নিৰ্দেশযোগে এই কথা প্ৰকাশ কৰিছে।

০০০০০০

ৰাজ্য চৰকাৰে অসমৰ বৰ্ধিত বিদ্যুতৰ চাহিদা পূৰণ কৰিবলৈ ২০২৭-২৮ বৰ্ষৰ ভিতৰত অতিৰিক্ত দুহেজাৰ মেগাৱাট বিদ্যুৎ উৎপাদনৰ লক্ষ্য নিৰ্ধাৰণ কৰিছে। অসমৰ মুখ্যমন্ত্ৰীয়ে সামাজিক মাধ্যম যোগে প্ৰকাশ কৰিছে। ৰাজ্যখনত বৰ্ধিত বিদ্যুতৰ চাহিদা পূৰণ কৰিবলৈ দুহেজাৰ মেগাৱাতকৈ অধিক সন্মিলিত ক্ষমতাৰ কেইবাটাও বিদ্যুৎ প্ৰকল্প বৰ্তমান প্ৰস্তুতি পূৰ্ণ পৰ্যায়ত আছে বুলি মুখ্যমন্ত্ৰী  হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। মুখ্যমন্ত্ৰী শৰ্মাই এই প্ৰকল্পসমূহৰ কাম শীঘ্ৰে আৰম্ভ কৰিবলৈ ৰাজ্য চৰকাৰ আগবাঢ়িছে বুলি সদৰী কৰিছে। ২০২৭-২৮ বৰ্ষত ৰাজ্য চৰকাৰে এই প্ৰকল্পসমূহৰ জৰিয়তে দুহেজাৰ মেগাৱাট বিদ্যুৎ উৎপাদন কৰিব বুলি আশা প্ৰকাশ কৰিছে।

০০০০০০

অসমৰ ৯২ খন বিধানসভা সমষ্টিত এতিয়ালৈকে ৪০ হাজাৰ লোকে বিজেপিত যোগদান কৰিছে। বিজেপিৰ সদস্যতা অভিযানৰ অধীনত কাৰ্যকৰ্তাসকলৰ কঠোৰ পৰিশ্ৰমৰ ফলত দলটোত যোগদান কৰা লোকৰ সংখ্যা চকুত লগাকৈ বৃদ্ধি পাইছে বুলি মুখ্যমন্ত্ৰীৰ কাৰ্যালয়ৰ তৰফৰ পৰা প্ৰকাশ কৰা হৈছে। কৰিমগঞ্জ উত্তৰ শাখাই কালি এই সদস্যতা ভৰ্তি অভিযানত  নতুনকৈ অংশগ্ৰহণ কৰে।

০০০০০০

ভাৰতীয় বতৰ বিজ্ঞান বিভাগে অহা দুদিনত অসম, অৰুণাচল প্ৰদেশ, মেঘালয়, নাগালেণ্ড, মণিপুৰ, ত্ৰিপুৰা আৰু আন্দামান নিকোবৰ দ্বীপপুঞ্জৰ ঠাই বিশেষে পাতলীয়াৰ পৰা মজলীয়া বৰষুণ হ'ব পাৰে বুলি আগলি বতৰা দিছে। বতৰ বিজ্ঞান বিভাগে লগতে কেৰালা, মাহে, তামিলনাডু আৰু কৰ্ণাটকৰ দক্ষিণ অংশত ৫-৬ দিনলৈ বৰষুণ অব্যাহত থাকিব পাৰে বুলি প্ৰকাশ কৰিছে।

০০০০০০

ৰাজ্যত আজি পুৱা পুৱা ৭ বাজি ৪৮ মিনিটত মৃদু ভূমিকম্পৰ জোকাৰণি অনুভূত হয়। অনুভূত হোৱা এই ভূমিকম্পৰ প্ৰাবল্য ৰিখটাৰ স্কেলত ৪ দশমিক ৭। এই ভূমিকম্পৰ অভিকেন্দ্ৰ ঢেকীয়াজুলিৰ পৰা ১৩ কিলোমিটাৰ নিলগত।

০০০০০০

ভাৰতে যোৱানিশা হায়দৰাবাদত অনুষ্ঠিত তিনিখনীয়া টি-টুৱেণ্টি ক্ৰিকেট শৃংখলাৰ তৃতীয় তথা অন্তিমখন খেলত বাংলাদেশক ১৩৩  ৰানত পৰাস্ত কৰি ৩-০ ফলাফলেৰে শৃংখলা হস্তগত কৰে। বাংলাদেশে ২৯৮ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৭ উইকেটৰ বিনিময়ত ১৬৪ ৰানহে কৰিবলৈ সমৰ্থ হয়। বাংলাদেশৰ হৈ তৌহিদ হৃদয়ে ৬৩ ৰান কৰি আউট নোহোৱাকৈ থাকে। লিটন দাসে ৪২ ৰানৰ বৰঙণি আগবঢ়ায়। ভাৰতৰ হৈ ৰবি বিষ্ণই ৩টা উইকেট দখল কৰাৰ বিপৰীতে ময়ংক যাদৱে দুটা আৰু ৱাশ্বিংটন সুন্দৰ তথা নীতিশ ৰেড্ডীয়ে এটাকৈ উইকেট লাভ কৰে। ইয়াৰ পূৰ্বে ভাৰতে টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লৈ সঞ্জু ছেমছনৰ ১১১ আৰু অধিনায়ক সূৰ্য কুমাৰ যাদৱৰ ৭৫ ৰানৰ সহায়ত নিৰ্ধাৰিত ২০ অভাৰত ৬টা উইকেট হেৰুৱাই ২৯৭ ৰান সংগ্ৰহ কৰে। ভাৰতৰ বাবে জয়ৰ দিশৰ পৰা ১৩৩ ৰানৰ ব্যৱধান আন্তঃৰাষ্ট্ৰীয় টি-টুৱেণ্টি ক্ৰিকেটত তৃতীয় সৰ্বাধিক

ব্যৱধান। সঞ্জু ছেমছনক প্লেয়াৰ অব দ্যা মেচ আৰু হাৰ্দিক পাণ্ডিয়াক প্লেয়াৰ অব দ্যা ছিৰিজ হিচাপে ঘোষণা কৰা হয়। ভাৰতে দিল্লীত অনুষ্ঠিত দ্বিতীয়খন খেলত বাংলাদেশক ৮৬ ৰানৰ ব্যৱধানত পৰাস্ত কৰিছিল। একেদৰে গোৱালিয়ৰত অনুষ্ঠিত প্ৰথমখন খেলত ভাৰতে ৭ উইকেটত বিজয় সাব্যস্ত কৰিছে।

০০০০০০

মহিলা টি-টুৱেণ্টি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত আজি দুখন খেল অনুষ্ঠিত হ'ব। বিয়লি চাৰে ৩ বজাত শ্বাৰজাহত হ'বলগীয়া গ্ৰুপ-বিৰ এখন খেলত ইংলেণ্ড স্কটলেণ্ডৰ সন্মুখীন হ'ব। একেদৰে ভাৰত একেটা স্থানত হ'বলগীয়া আজিৰ আনখন খেলত অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। গ্ৰুপ-এৰ এই খেলখন ভাৰতীয় সময় অনুসৰি সন্ধিয়া চাৰে সাত বজাত আৰম্ভ হ'ব।

ইপিনে, দক্ষিণ আফ্ৰিকাই যোৱানিশা ডুবাইত অনুষ্ঠিত গ্ৰুপ-বিৰ এখন খেলত বাংলাদেশক ৭ উইকেটত পৰাস্ত কৰে। খেলখনত দক্ষিণ আফ্ৰিকাই ১০৭ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ১৭ অভাৰ আৰু দুটা বলত তিনিটা উইকেট হেৰুৱাই নিৰ্ধাৰিত লক্ষ্যত উপনীত হয়। দক্ষিণ আফ্ৰিকাৰ তাজমিন ব্ৰীটে ৪২ ৰান কৰে। বাংলাদেশক ফাহিমা খাতুনে দুটা উইকেট লাভ কৰে। ইয়াৰ পূৰ্বে বাংলাদেশে টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লৈ নিৰ্ধাৰিত ২০ অভাৰত ৩টা উইকেটৰ বিনিময়ত ১০৬ ৰান কৰে। তাজমিন ব্ৰীটক প্লেয়াৰ অব্ দ্যা মেচ হিচাপে ঘোষণা কৰা হয়।

ইফালে, নিউজিলেণ্ডে কালি শ্বাৰজাহত অনুষ্ঠিত প্ৰতিযোগিতাৰ গ্ৰুপ এৰ এখন খেলত শ্ৰীলংকাক ৮ উইকেটত পৰাস্ত কৰে। খেলখনত শ্ৰীলংকাই টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লৈ নিৰ্ধাৰিত ২০ অভাৰত ৫ উইকেটৰ বিনিময়ত ১১৫ ৰাণ কৰে। প্ৰত্যুত্তৰত নিউজিলেণ্ডে ১৭ অভাৰ আৰু তিনিটা বলত দুটা উইকেট হেৰুৱাই ১১৮ ৰাণ সংগ্ৰহ কৰে।

০০০০০০

সমাপ্ত